2015

# ASSAMESE

( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) 'পৰশুইৰ কথা কোৱা কালিৰ ছৱাল'—কোন?

(খ) 'চৰিত পুথি' মতে কোনে 'ৰামযাত্ৰা' আৰু 'গোৱৰ্দ্ধন-যাত্ৰা' নাট দুখন ৰচনা কৰি অভিনয় কৰিছিল?

(গ) শিশুপাল কোন দেশৰ ৰজা আছিল?

(ঘ) জৰাসন্ধ কাৰ পুত্ৰ?

(ঙ) "ওহি ভল্ল ভাট। উনিকৰ মন পুৰিয়ে বহুবিধ পৰসাদ দেহ।" ভাটজন কোন আছিল?

(চ) "আহে সখি তোহো অৰ্জুন স্বামীক লাগি আশা দূৰ কৰহ।" কথাষাৰ কোনে কৈছিল?

(ছ) নাটৰ গাম্ভীৰ্য বঢ়াবলৈ গোপালদেৱে 'জন্মযাত্ৰা' নাটত কাৰ গীত সন্নিৱিষ্ট কৰিছিল?

২। *এটা* বা *দুটা* বাক্যত উত্তৰ লিখাঁ : ২×৪=৮

(ক) "ওহি মনুষ্য বালক নহি, প্ৰভাৱ দেখিয়ে হামু জানল, ওহি জগত কাৰণ নাৰায়ণ।" এই বুলি কোনে, কাক কৈছিল ?

(খ) "তুহু কৃষ্ণক নিমিত্ত কিছু চিন্তা কৰবি নাহি। যে শ্ৰীকৃষ্ণ একেশ্বৰে ত্ৰৈলোক্যক জিনিতে পাৰে, তাহাক আগু ৰাজাসৱ কোন বস্তু থিক।" কথাষাৰ কোনে, কাক উদ্দেশ্যি কৈছিল ?

(গ) 'অজসুৰ' আৰু 'অব্জ' শব্দৰ অৰ্থ কি ?

(ঘ) ব্ৰহ্মাই "তোৰা সৱ নন্দ-যশোদা ৰূপে গোকুলে জনম ধৰহ।" বুলি কাক কৈছিল ?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰাঁ (যি কোনো তিনিছোৱাঁ) : ৫×৩=১৫

(ক) কঙ্কণ হাৰ কুণ্ডল গণ্ড লোলে।
চৰণ মাঝে মণি মঞ্জিৰ ৰোলে॥
মনোহৰ খোম বসন পৰিধানে।
কম্পয় কুছযুগ ৰজ্জু সন্ধানে॥

(খ) হৰষে নাচত হৰ যাকেৰি আগ।
গৰুড়ক পেখি পলাৱত নাগ॥
খসল বাৰম্বাৰ বসন উজাৰ।
সোহি কৰতু নিত্য মুকুতি তোমাৰ॥

(গ) হে প্ৰভু, তোহো পৰম-পুৰুষ-পুৰুষোত্তম দেবকু পৰম দেৱতা। আপুনি সৰ্বজ্ঞ; হামো তোহাৰি মায়ায়ে মোহিত হুয়া জ্ঞান ভঙ্গ কয়লো।

(ঘ) হে পৰমেশ্বৰ তোহো মোক্ষৰ সাধন, সনাতন সৰ্ব্ব অন্তৰ্য্যামী, সংসাৰ মোক্ষৰ কাৰণ, মহাজ্ঞানীগণে ইহাক জানয়। মূৰ্খসৱে তোমাৰ ভেদ মানয়। সন্তৰ ৰক্ষাৰ হেতু, তোমাৰ অৱতাৰ, দুৰ্জনক বিনাশি ভূমিক ভাৰ হৰব।

(ঙ) মৃদঙ্গ দুন্দুভি তাল-কৰতাল
শৱদে বহুবিধ ৰোল।
চৌভিতি জয়জয় মিলল মহোৎসৱ
দীন গোপাল বোল।

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ১০×৩=৩০

(ক) অংকীয়া নাটৰ গঠন-ৰীতি আৰু অভিনয়ৰ লগত সংস্কৃত নাটৰ সম্পৰ্ক—শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰাঁ। ৫+৫=১০

(খ) মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন' নাটত বাৎসল্য ৰসৰ জৰিয়তে কিদৰে ভক্তিৰ মাহাত্ম্য প্ৰকাশ পাইছে, উদ্ধৃতিসহ আলোচনা কৰাঁ। ১০

(গ) "গৌড়ীয় বৈষ্ণৱ আলংকাৰিকসকলে ভক্তিপ্ৰধান নাটসমূহৰ ৰস বিচাৰ বিশেষ কৌশলেৰে নিষ্পন্ন কৰিছে।" এই উক্তিৰ আধাৰত 'ৰুক্মিণী হৰণ' নাটৰ ৰস সম্পৰ্কে এটি আলোচনা কৰাঁ। ১০

(ঘ) শ্ৰীৰাম আতাৰ 'সুভদ্ৰা হৰণ' নাটৰ কাহিনীবিকাশ আৰু চৰিত্ৰ-চিত্ৰণত শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটৰ প্ৰভাৱ কেনেদৰে পৰিছে, উদাহৰণেৰে সৈতে ফঁহিয়াই দেখুওৱাঁ। ৫+৫=১০

(ঙ) ভৱানীপুৰীয়া গোপাল আতাৰ 'জন্মযাত্ৰা' নাটৰ মূল কি? নাটকীয় কলাকৌশল আৰু উপস্থাপন ৰীতিত নাট্যকাৰৰ মৌলিকতা কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ১০

(চ) শংকৰ-মাধৱৰ পৰৱৰ্তী কালত অংকীয়া নাট ৰচনাত নাট্যকাৰসকল সফল হ'ব নোৱৰাৰ কাৰণসমূহ ব্যাখ্যা কৰাঁ। ১০

(ছ) অংকীয়া নাট সৃষ্টিত মধ্যযুগৰ কি কি ভাৰতীয় লোক-নাট্যানুষ্ঠানৰ প্ৰভাৱ পৰিছে, খৰচি মাৰি আলোচনা কৰাঁ। ১০

★★★